# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-08-2024 **Time :** 0900 Hrs

## *Assamese Morning Bulletin*
# HEADLINES

১। ৰাজ্যসভাত অসমৰ বাবে খালী হোৱা দুখন আসনৰ মনোনয়ন দাখিলৰ আজি অন্তিম দিন।

২। চিকিৎসা কৰ্মীসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে উচ্চতম ন্যায়ালয়ৰ ৰাষ্ট্ৰীয় কাৰ্যবাহিনী গঠন।

৩। নেৰানেপেৰা বৰষুণৰ ফলত গুৱাহাটী মহানগৰীৰ কেইবাটাও প্ৰান্তত কৃত্ৰিম বান। অহা দুদিনলৈ উত্তৰ-পূৰ্বাঞ্চলত ধাৰাষাৰ বৰষুণৰ সম্ভাৱনা।

**আৰু**

৪। মহিলা টি-২০ বিশ্বকাপৰ নৱম সংস্কৰণ বাংলাদেশৰ পৰা সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ ইউ এ ইলৈ স্থানান্তৰ।

ooooooo

অসমৰ ৰাজ্যসভাৰ দুখন আসনৰ বাবে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু প্ৰাক্তন বিধায়ক মিছন ৰঞ্জন দাসক বিজেপিয়ে প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। আজি ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ অন্তিম দিন। এইপৰ্যন্ত বিৰোধী দলে ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে প্ৰাৰ্থী ঘোষণা কৰা নাই। উল্লেখযোগ্য যে কালি এই সন্দৰ্ভত আলোচনাৰ বাবে নতুন দিল্লীত কেন্দ্ৰীয় নেতৃত্বৰ সৈতে অসম ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰীয়ে এই সন্দৰ্ভত প্ৰকাশ কৰি কয় যে, দুয়োগৰাকী প্ৰাৰ্থীয়ে দলীয় সংগঠনক শক্তিশালী কৰাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধ।

ইফালে, কৰিমগঞ্জ জিলাৰ পৰা প্ৰথম বাৰৰ বাবে ভাৰতীয় জনতা পাৰ্টীৰ প্ৰাক্তন বিধায়ক তথা অসম পৰিবহন নিগমৰ অধ্যক্ষ মিছন ৰঞ্জন দাসক ৰাজ্যসভাৰ সাংসদ পদৰ প্ৰাৰ্থী মনোনীত হোৱাৰ বাবে কৰিমগঞ্জ জিলা বিজেপিয়ে কেন্দ্ৰীয় সমিতি আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ আন্তৰিক ধন্যবাদ আৰি কৃতজ্ঞতা জ্ঞাপন কৰে।

oooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কাইলৈ কাছাৰত বৰাক নদীৰ ওপৰত আৰ চি চি দলং আৰু আদৰ্শ স্নাতক মহাবিদ্যালয়ৰ শিলান্যাস আৰু ভূমিপূজনত অংশগ্ৰহণ কৰিব। বৰাক নদীৰ দলংখনে সোণাই আৰু লক্ষীপুৰ চহৰ সৈতে শিলচৰ চহৰৰ সংযোগ স্থাপন কৰিব। এই দলং নিৰ্মাণৰ ফলত ৰূপাইবালি, ছিঙাৰবন্দ, বিন্নাকান্দি, চটামামদা, গোবিন্দপুৰ, আলগাপুৰ আৰু বাগপুৰৰ পৰা শিলচৰলৈ ২৫ কিলোমিটাৰ দূৰত্ব হ্ৰাস পাব। ৩৪০ মিটাৰ দৈৰ্ঘ্যৰ এই দলংখন নিৰ্মাণৰ বাবে ৮৭ কোটি টকাৰ অনুমোদন দিয়া হৈছে। দলংখনৰ নিৰ্মাণে ন্যূনতম মূল্যত বিভিন্ন সামগ্ৰীৰ পৰিবহণ আৰু বিপণনৰ লগতে অঞ্চলটোৰ যাতায়াত আৰু আৰ্থ-সামাজিক উন্নয়ন সাধন কৰিব বুলি আশা কৰা হৈছে।

ইপিনে, ঢলাইৰ বৰজালেঙাত আদৰ্শ স্নাতক মহাবিদ্যালয়ৰ নিৰ্মাণৰ বাবে ৩৫ কোটি টকাৰ অনুমোদন জনোৱা হৈছে। কলা শাখাৰ পাঠ্যক্ৰমেৰে আৰম্ভ হ'বলগীয়া এই মহাবিদ্যালয়খন ৭ হাজাৰ ৮০০ বৰ্গ মিটাৰতকৈ অধিক এলেকা সামৰি নিৰ্মাণ কৰা হ'ব। মহাবিদ্যালয়খনত মুঠ ৩৩ টা শ্ৰেণীকোঠাৰ লগতে ৫টা প্ৰয়োগশালা থাকিব। ২০২৬ চনৰ ৩০ আগষ্টৰ ভিতৰত মহাবিদ্যালয়খন নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। কাইলৈৰ শিলান্যাস আৰু

ভূমিপূজন অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ লগতে শিলচৰৰ সাংসদ পৰিমল শুক্লবৈদ্য, লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিধায়ক কৌশিক ৰায় আৰু উদাৰবন্দৰ বিধায়ক মিহিৰকান্তি সোম উপস্থিত থকাৰ কথা।

০০০০০০০০

উচ্চতম ন্যায়ালয়ে চিকিৎসা কৰ্মীসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে এটা ৰাষ্ট্ৰীয় কাৰ্যবাহিনী গঠন কৰিছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় নেতৃত্বাধীন এখন বিচাৰপীঠে কালি ক'লকাতাৰ আৰ জে কৰ হাস্পতালত এগৰাকী চিকিৎসকৰ বলাৎকাৰ আৰু হত্যাৰ গোচৰৰ শুনানি গ্ৰহণ কৰি কাৰ্যবাহিনীটোক তিনি সপ্তাহৰ ভিতৰত অন্তৰৰ্তীকালীন প্ৰতিবেদন আৰু দুমাহৰ ভিতৰত চূড়ান্ত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্য ন্যায়াধীশগৰাকীয়ে কয় যে ন্যায়ালয়ে মহিলাসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে দেশজুৰি গ্ৰহণ কৰিবলগীয়া পৰিকল্পনা সন্দৰ্ভত পৰামৰ্শ আগবঢ়োৱাৰ বাবে দেশৰ সকলো চিকিৎসকক লৈ এটা ৰাষ্ট্ৰীয় কাৰ্যবাহিনী গঠন কৰিছে। বিচাৰপীঠখনে কলকাতা ধৰ্ষণ আৰু হত্যা কাণ্ডৰ ভুক্তভোগীগৰাকীৰ নাম, ফটো আৰু ভিডিঅ' আদি ততালিকে ছ'চিয়েল মিডিয়াৰ পৰা আঁতৰ কৰিবলৈ নিৰ্দেশ দিছে। ইয়াৰ উপৰি ন্যায়ালয়ে আবাসিক চিকিৎসক বিশেষকৈ মহিলা চিকিৎসকলৰ সুৰক্ষা আৰু নিৰাপত্তাৰ বাবে আৰ জি কৰ হাস্পতালত কেন্দ্ৰীয় ঔদ্যোগিক বাহিনীৰ জোৱান নিয়োগ কৰিবলৈ কৈছে। বিচাৰপীঠখনে পশ্চিমবংগ চৰকাৰ আৰু চিকিৎসালয় কৰ্তৃপক্ষই গোচৰটোৰ তদাৰকৰ ক্ষেত্ৰত অৱলম্বন কৰা পন্থাক লৈ অসন্তুষ্টি প্ৰকাশ কৰিছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে প্ৰক্ৰিয়াগত আঁসোৱাহৰ সমালোচনা কৰিছে আৰু বিশেষকৈ ঘটনাটো সন্দৰ্ভত এজাহাৰ ৰুজু কৰাত হোৱা বিলম্ব তথা স্থানীয় আৰক্ষী তথা চিকিৎসালয় প্ৰশাসনে সাক্ষ্য প্ৰমাণ বিনষ্ট নোহোৱাৰ বাবে অপৰাধ সংঘটিত স্থানত উচিত ব্যৱস্থা গ্ৰহণ নকৰাক লৈ ক্ষোভ প্ৰকাশ কৰিছে।

সমগ্ৰ দেশত চিকিৎসক আৰু চিকিৎসা কৰ্মীসকলৰ কামৰ অসুৰক্ষিত বাতাবৰণক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰি ন্যায়ালয়ে কয় যে বৰ্তমানৰ আইন স্বাস্থ্য কৰ্মীৰ সুৰক্ষাৰ দিশৰ পৰা পৰ্যাপ্ত নহয়। ন্যায়ালয়ে কয় যে প্ৰণালীগত বিষয়সমূহ সমাধানৰ উদ্দেশ্যে বিষয়টো সন্দৰ্ভত নিজাববীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি জনায়। কাইলৈ গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে।

০০০০০

অসম বিধানসভাৰ ৫টা সমষ্টিৰ উপ নিৰ্বাচনৰ বাবে কালি চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে। ছিদলী, ছামগুৰি, বঙাইগাঁও, বিহালী আৰু ধলাই সমষ্টিৰ বাবে ফটোযুক্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। প্ৰকাশিত তালিকা অনুসৰি ২০ আগষ্টলৈ ছিদলী সমষ্টিত মুঠ ভোটদাতাৰ সংখ্যা হৈছে ২ লাখ ১৬ হাজাৰ ৯৯০ গৰাকী। ইয়াৰে পুৰুষ ভোটদাতা এক লাখ ৭ হাজাৰ ৯৯৭ গৰাকী। আনহাতে মহিলা ভোটদাতাৰ সংখ্যা এক লাখ ৮৯ হাজাৰ ৮৯ গৰাকী। সমষ্টিটোত ৪ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ভোটাৰ তালিকা অনুসৰি সমষ্টিটোত মুঠ ভোটকেন্দ্ৰ ২৭৩টা। আনহাতে ছামগুৰি সমষ্টিত এক লাখ ৮০ হাজাৰ ৬৬৯ গৰাকী ভোটদাতা আছে। ইয়াৰে পুৰুষ ভোটদাতা হৈছে ৯১ হাজাৰ ৬২৭ গৰাকী। মহিলা ভোটদাতাৰ সংখ্যা হৈছে ৮৯ হাজাৰ ৩৬ গৰাকী। সমষ্টিটোত ৬ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ইয়াৰ লগতে সমষ্টিটোত ১৯৭টা ভোটকেন্দ্ৰ নিৰ্ধাৰণ কৰা হৈছে।

বঙাইগাঁও সমষ্টিত এক লাখ ৮২ হাজাৰ ৩৫৪ গৰাকী ভোটদাতা আছে। ইয়াৰে পুৰুষ ভোটদাতা হৈছে ৮৯ হাজাৰ ৫১০ গৰাকী। মহিলা ভোটদাতাৰ সংখ্যা হৈছে ৯২ হাজাৰ ৮৪২ গৰাকী। সমষ্টিটোত দুগৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ইয়াৰ লগতে সমষ্টিটোত বুথপৰ্যায়ৰ বিষয়া ২৪৬ গৰাকী আছে।

০০০০০

ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়সমূহত আজিৰে পৰা ২৯ আগষ্টলৈ এম বি বি এছ পাঠ্যক্ৰমৰ নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৰাজ্যৰ চিকিৎসা সেৱা সঞ্চালকে কালি এই কথা ঘোষণা কৰে। অহা ৫ ছেপ্তেম্বৰত মহাবিদ্যালয়সমূহত নামভৰ্তি অনুষ্ঠিত হ'ব। ইপিনে, চৰকাৰী খণ্ডৰ মাতৃভাষা মাধ্যমৰ শিক্ষাৰ্থীৰ বাবে এইবাৰ ৫ শতাংশ আসন সংৰক্ষণ কৰা হৈছে। সপ্তম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ ৰাজহুৱা খণ্ডৰ মাতৃভাষা মাধ্যমত অধ্যয়ন কৰা শিক্ষাৰ্থীয়ে এই বিশেষ সুবিধা লাভ কৰিব। অসমৰ বাবে থকা মুঠ আসনৰ পৰা এই ৫ শতাংশ আসন সংৰক্ষণ কৰা হ'ব।

ooooo

গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ প্ৰতাপজ্যোতি সন্দিকৈয়ে কালি কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। বিশ্বিবিদ্যালয়খনৰ শিক্ষক আৰু শিক্ষাৰ্থীসকলে কালি তেওঁক আনুষ্ঠানিকভাৱে বিদায় জনায়। তেওঁ ২০১৯ চনৰ পৰা উপাচাৰ্যৰ দায়িত্ব গ্ৰহণ কৰি আহিছিল। ড০ সন্দিকৈৰ নেতৃত্বত গুৱাহাটী বিশ্ববিদ্যালয়ে নাকৰ এ প্লাছ গ্ৰেড আৰু ভাৰতৰ শীৰ্ষ ১০০খন শিক্ষানুষ্ঠানৰ মাজত স্থান লাভ কৰিছিল। ইফালে বিশ্ববিদ্যালয়খনৰ নতুনকৈ উপাচাৰ্যৰ দায়িত্ব লাভ কৰা অধ্যাপক ড০ ননীগোপাল মহন্তই আজি উপাচাৰ্যৰ কাৰ্যভাৰ গ্ৰহণ কৰিব।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ-পূৰ্বাঞ্চলৰ লগতে দেশৰ পূব আৰু দক্ষিণ প্ৰান্তত অহা ২৫ তাৰিখ পৰ্যন্ত ধাৰাষাৰ বৰষুণৰ আগলি বতৰা দি অ'ৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। বতৰ বিজ্ঞান বিভাগে কৈছে যে এই সময়ছোৱাত বাংলাদেশৰ মধ্য ভাগত সৃষ্টি হোৱা নিম্নচাপৰ প্ৰভাৱত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু ছিকিমত ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। গুৱাহাটী মহানগৰীতো পৰহি নিশাৰেপৰা দি থকা নেৰানেপেৰা বৰষুণৰ ফলত চানমাৰি, শিলপুখুৰী, ছয়মাইল, পাঞ্জাবাৰী, বেলতলা আদি বিভিন্ন অঞ্চল জলমগ্ন হৈ পৰে। ঠায়ে ঠায়ে সৃষ্টি হোৱা কৃত্ৰিম বানৰ ফলত যান-বাহন চলাচলত ব্যাঘাত জন্মাৰ লগতে জীৱনযাত্ৰা প্ৰভাৱিত হয়।

পশ্চিমবংগ, বিহাৰ, ঝাৰখণ্ড আৰু ওড়িশাকে ধৰি দেশৰ পূব অংশতো পৰৱৰ্তী কেইদিনমানত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে।

ooooo

অসম চৰকাৰে অভিনন্দন শিক্ষা ঋণ ৰাজসাহায্য আঁচনিৰ দ্বিতীয় সংস্কৰণ অহা ৫ চেপ্তেম্বৰত আৰম্ভ কৰিব। এই প্ৰচেষ্টাৰ অধীনত ৰাজ্য চৰকাৰে উচ্চ শিক্ষাৰ বিত্তীয় সাহায্যৰ বাবে লোৱা ঋণৰ ওপৰত ৫০ হাজাৰ টকা পৰ্যন্ত ৰাজসাহায্য আগবঢ়াব। অসমৰ স্থায়ী বাসিন্দা ছাত্ৰ-ছাত্ৰীয়েহে এই সুবিধা লাভ কৰিব পাৰিব। আঁচনিখনৰ অধীনত উপকৃত হোৱাৰ বাবে অনুমোদিত শিক্ষা ঋণৰ পৰিমাণ ন্যূনতম ২ লাখ টকা হ'ব লাগিব। আনহাতে, এই আচনিৰ অধীনত প্ৰতিগৰাকী হিতাধিকাৰীয়ে মাত্ৰ এবাৰহে লাভ গ্ৰহণ কৰিব পাৰিব। জন প্ৰতিনিধিৰ সন্তান, সাংসদ, বিধায়ক, পঞ্চায়ত কৰ্মচাৰী, স্থায়ী চৰকাৰী কৰ্মচাৰী নাইবা ৰাজহুৱা খণ্ডৰ কৰ্মচাৰীৰ সন্তানে আঁচনিৰ সুবিধা লাভ কৰিব নোৱাৰিব। ইপিনে, বেংকৰ দ্বাৰা অ-কাৰ্যকৰী সম্পদ হিচাপে শ্ৰেণীবদ্ধ কৰা যিকোনো ঋণ একাউণ্ট আঁচনিখনৰ অধীনত যোগ্য নহব।

ooooo

অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান জি পি সিঙে গুৱাহাটী আৰু লখিমপুৰত বোমা উদ্ধাৰৰ ঘটনাৰ তদন্ত ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা, এন আই এলৈ হস্তান্তৰ কৰাৰ কথা ঘোষণা কৰিছে। কালি কাহিলিপাৰাত আৰক্ষীৰ প্ৰশিক্ষণ সমাপ্তিৰ কুচকাৱাজত অংশ লোৱাৰ পাছত সংবাদ মাধ্যমৰ আগত শ্ৰীসিঙে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, বোমা উদ্ধাৰৰ ঘটনা সন্দৰ্ভত মুঠ ১০টা গোচৰ ৰুজু কৰা হৈছে। ইয়াৰে গুৱাহাটী আৰু লখিমপুৰত

বোমা উদ্ধাৰৰ ঘটনাৰ তদন্ত ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থালৈ হস্তান্তৰৰ বাবে অসম চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰা হৈছে। সঞ্চালকপ্ৰধানগৰাকীক কয় যে শিৱসাগৰত এই ঘটনাৰ তদন্ত যথেষ্ট আগবাঢ়িছে আৰু ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহত ৪ জন লোকক আটক কৰা হৈছে। ইপিনে গুৱাহাটীৰ এটা শ্বপিং ম'লত সৃষ্টি হোৱা পৰিস্থিতি সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শ্ৰীসিঙে কয় যে, গুৱাহাটীকে ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ শ্বপিং ম'ল আৰু হাস্পতাললৈ বিগত ছমাহ ধৰি ইমেইলৰ জৰিয়তে বোমা সংস্থাপনৰ ভুৱা ভাবুকি আহি আছে। কোনো দুষ্টচক্ৰই এনে কাম সংঘটিত কৰি থকা বুলি প্ৰকাশ কৰি তেওঁ কয় যে, এই সন্দৰ্ভত কেন্দ্ৰীয় সংস্থাই সংশ্লিষ্ট ৰাজ্যসমূহৰ আৰক্ষীৰ সহযোগত তদন্ত অব্যাহত ৰাখিছে। সঞ্চালকপ্ৰধানগৰাকীয়ে লগতে কয় যে, অসমত সম্প্ৰতি শান্তিৰ পৰিৱেশে বিৰাজ কৰিছে আৰু কোনো কাৰণতে এই পৰিৱেশ বিঘ্নিত কৰাটো উচিত নহয়। এনেক্ষেত্ৰত কোনো লোকে আইন ভংগ কৰি বিশৃংখল পৰিৱেশৰ সৃষ্টি কৰিলে অসম আৰক্ষীয়ে কঠোৰ ব্যৱস্থা ল'ব। এইক্ষেত্ৰত কোনো লোকৰ কিবা অভিযোগ থাকিলে সেয়া চৰকাৰক অৱগত কৰিবলৈ তেওঁ আহ্বান জনায়।

0000000

কৰ্মচাৰী ভৱিষ্য নিধি সংস্থাত যোৱা জুনত ১৯ লাখ ২৯ হাজাৰ নতুন সদস্য অন্তৰ্ভুক্ত হৈছে। সেই অনুসৰি যোৱা বছৰৰ এই একেই সময়ছোৱাৰ তুলনাত সদস্যৰ সংখ্যা ৭ দশমিক ৮-৬ শতাংশ বৃদ্ধি পাইছে। শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে কৈছে যে কৰ্মসংস্থাপনৰ সুযোগ বৃদ্ধিকে ধৰি বিভিন্ন কাৰণত সংস্থাটোত অন্তৰ্ভুক্ত সদস্যৰ সংখ্যা বৃদ্ধি পাইছে।

00000000

শোণিতপুৰ জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ উদ্যোগত এটা বিশেষ এথলেটিকছ্ প্ৰশিক্ষণ শিবিৰ জিলাখনৰ বিহাৰগুৰি মিনি ষ্টেডিয়ামত চলি আছে। ২৯ আগষ্টলৈ চলিবলগীয়া এই প্ৰশিক্ষণ শিবিৰৰ কালি অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত জিলা ক্ৰীড়া বিষয়া প্ৰাঞ্জল দিহিঙীয়াৰ লগতে কেইবাগৰাকীও প্ৰাক্তন খেলুৱৈ আৰু ক্ৰীড়া সংগঠক উপস্থিত থাকে। শিবিৰৰ প্ৰথম দিনটোত ৯০গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰে।

00000000

আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদে মহিলা টি-২০ বিশ্বকাপৰ নৱম সংস্কৰণ বাংলাদেশৰ পৰা সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ ইউ এ ইলৈ স্থানান্তৰ কৰিছে। অৱশ্যে বাংলাদেশ এই সংস্কৰণৰ আনুষ্ঠানিক আয়োজক হৈ থাকিব। প্ৰতিযোগিতাৰ খেলসমূহ ৩ৰ পৰা ২০ অক্টোবৰলৈ ডুবাই আৰু শ্বাৰজাহত অনুষ্ঠিত হ'ব।

00000000

———মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপত অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ মধ্যস্থতাত শিৱসাগৰত ওৰ পৰিল সপ্তাহজোৰা বিক্ষোভ আৰু উত্তেজনাৰ। এই বাতৰিটো **দৈনিক অসম** কাকতে 'তামোল-পাণৰ শৰাই আগবঢ়াই ক্ষমা বিচাৰিলে মাৰোৱাৰী সমাজে' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে 'Non Assamese Traders apologies for attack on girl' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

উচ্চতম ন্যায়ালয়ে চিকিৎসা কৰ্মীসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে এটা ৰাষ্ট্ৰীয় কাৰ্যবাহিনী গঠন কৰিছে। 'দেশৰ চিকিৎসকৰ সুৰক্ষা নিশ্চিত কৰাৰ লক্ষ্যৰে ৯জনীয়া টাস্ক ফোৰ্চ গঠন বিচাৰপীঠৰ' শিৰোনামেৰে **দৈনিক জনমভূমি** কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে 'নৃশংস কাণ্ডৰ বাবে পুৰুষ তন্ত্ৰই দায়ী' শিৰোনামেৰে প্ৰথম পৃষ্ঠত স্থান দিছে।

কেন্দ্ৰীয় লোকসেৱা আয়োগে কৰ্মচাৰী আৰু প্ৰশিক্ষণ বিভাগৰ নিৰ্দেশ অনুযায়ী LATERAL ENTRY-ৰ বিজ্ঞাপন প্ৰত্যাহাৰ কৰিছে। **দা ছেণ্টিনেল** কাকতে 'Conflict resolved peacefully' শিৰোনামেৰে এই বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যসভাৰ বিৰোধবিহীন দুখন আসনৰ বাবে শাসকীয় বিজেপিয়ে কালি প্ৰাৰ্থীৰ নাম ঘোষণা কৰে। 'ৰামেশ্বৰ তেলী, মিছ্‌ন ৰঞ্জন দাস হ'ব বিজেপিৰ প্ৰাৰ্থী' শিৰোনামেৰে **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক **অসমীয়া খবৰ** কাকতে 'ৰাজ্যসভালৈ বিজেপিৰ ৰামেশ্বৰ তেলী, মিছ্‌ন ৰঞ্জন দাস' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যৰ মেডিকেল কলেজত আজিৰেপৰা এম বি বি এছ্‌ পাঠ্যক্ৰমৰ নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। এই বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে 'ৰাজ্যৰ মেডিকেল কলেজত মাতৃভাষা মাধ্যমত পঢ়া শিক্ষাৰ্থীৰ বাবে ৫ শতাংশ আসন সংৰক্ষণ' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০

সমাপ্ত